**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 25-06-2026** **Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::***

HL (25-06-2026) Even NSD

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কলকতাৰ এটা গুদামৰ মুধচ ভাঙি মৃত্যু হোৱা লোকৰ পৰিয়ালবৰ্গলৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰিছে।

২। হাৰিয়ানাৰ গুৰুগ্ৰামত আজি ব্ৰিকচ ৰাষ্ট্ৰগোষ্ঠীৰ একাদশ শক্তি মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হয়।

৩। কেন্দ্ৰীয় সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি গোৱাত ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে।

৪। ভেনেজুৱেলাত অহা বিধবংসী ভূমিকম্পত এতিয়ালৈ ১৬৮ জনৰ লোকৰ মৃত্যু হোৱাৰ লগতে ৯০০ কৈও অধিক লোক আহত হৈছে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা গ্ৰুপ ই ৰ এখন খেলত কুৰাচাও, আইভৰী ক'ষ্টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্ম, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি কলকতাত এটা গুদামৰ মুধচ ভাঙি কেইবাগৰাকীও লোকৰ মৃত্যু হোৱাৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই ঘটনাক অতি হৃদয় বিদাৰক বুলি উল্লেখ কৰিছে। তেওঁ শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি শ্ৰী ৰাধাকৃষ্ণণে এই ঘটনাত গভীৰ শোক ব্যক্ত কৰাৰ লগতে আহত সকলৰ আশু আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই ঘটনাত নিহিত প্ৰতিগৰাকীৰ পৰিয়াললৈ ২ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰাৰ লগতে আহত প্ৰতিগৰাকীক ৫০ হাজাৰকৈ টকাৰ সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে। ৰাজ্য চৰকাৰে ভুক্তভোগী সকলক সাম্ভাব্য সকলো সাহায্য আগবঢ়োৱাৰ বাবে দিনে নিশাই কাম কৰি আছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০

হাৰিয়ানাৰ গুৰুগ্ৰামত আজি ব্ৰিকচ ৰাষ্ট্ৰগোষ্ঠীৰ একাদশ শক্তি মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হয়। শক্তি মন্ত্ৰালয়ে কয় যে, এই বৈঠকত ব্ৰিকচৰ সদস্য দেশসমূহৰ শক্তিমন্ত্ৰী, উপমন্ত্ৰী আৰু জেষ্ঠ্য বিষয়াসকলে বিশ্বৰ শক্তিখণ্ডৰ প্ৰত্যাহ্বানসমূহৰ লগতে শক্তিখণ্ডত শক্তিশালী সহযোগিতা গঢ় দিয়াৰ বিষয়ে আলোচনা কৰে। শক্তিসুৰক্ষা, বহনক্ষমতা, উদ্ভাৱন, আন্তঃগাঁথনি আৰু বিকাশ সন্দৰ্ভতো সহযোগিতা পুনৰ সুদৃঢ় কৰি একাদশ ব্ৰিকচ শক্তিমন্ত্ৰী সকলৰ বিজ্ঞাপন গ্ৰহণ কৰি বৈঠক সমাপ্ত কৰা হয়। বৈঠকত ভাষণ দি কেন্দ্ৰীয়

শক্তিমন্ত্ৰী মনোহৰ লালে কয় যে, অৰ্থনৈতিক বিকাশ, সামাজিক প্ৰগতি আৰু মানৱ বিকাশৰ বাবে শক্তি অতি গুৰুত্বপূৰ্ণ। উন্নয়নশীল দেশসমূহৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ সমান্তৰালভাৱে বহনক্ষম উন্নয়ন সাধনৰ বাবে পৰ্য্যাপ্ত সময় সম্পদ আৰু নীতিগত স্থানৰ অতি প্ৰয়োজন বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। দেশৰ পৰিস্থিতি, বিকাশৰ অগ্ৰাধিকাৰ আৰু শক্তি পৰিৱৰ্তনৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। দেশৰ শক্তিখণ্ডৰ কথা উল্লেখ কৰি তেওঁ কয় যে, ভাৰত বৰ্তমান বিশ্বৰ তৃতীয় বৃহৎ বিদ্যুৎ উৎপাদনকাৰী আৰু  গ্ৰাহক হিচাপে পৰিগণিত হৈছে। ভাৰতৰ ব্ৰিকচৰ অধ্যক্ষতাত ২০২৬ৰ অধীনত এই বৈঠক অনুষ্ঠিত হয়।

০০০০০০

কেন্দ্ৰীয় সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি দক্ষিণ গোৱাত অনুষ্ঠিত এটা বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী ৰিজিজুৱে সৰ্বাত্মক, প্ৰয়োজন বিশেষ আঁচনিৰ জৰিয়তে সংখ্যালঘু সম্প্ৰদায়ৰ লোক সকলৰ কল্যাণ আৰু সবলীকৰণৰ বাবে সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে দৃঢ় প্ৰতিশ্ৰুতবদ্ধ বুলি উল্লেখ কৰে। তেওঁ কয় যে, ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমৰ আঁচনিসমূহৰ কাৰ্য্যসূচীয়ে দক্ষতাৰ বিকাশ, ঔদ্যোগিকৰণ, বিত্তীয় অন্তৰ্ভুক্তিকৰণ আদিৰ জৰিয়তে বিশেষকৈ যুৱ প্ৰজন্ম আৰু মহিলা সকলক উৎসাহ যোগোৱাৰ লক্ষ্য লৈছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি সংসদ ভৱনত অনুষ্ঠিত এটা অনুস্থানত নতুনকৈ নিৰ্বাচিত ১০ গৰাকী সাংসদক শপত বাক্য পাঠ কৰোৱায়। তেলেগু দেশম পাৰ্টীৰ চানা সতীশ বাবু, বিজয় চিন্তাকায়ালা, বাস্যাম ৰামাকৃষ্ণন, জনসেনা পাৰ্টীৰ লিংগা মানেনী ৰমেশ, বিজেপিৰ তাই তাগাক, দেৱাষীশ সামানটাৰে, ৰাজেশ পৰমানন্দ, কংগ্ৰেছৰ প্ৰবীণ চক্ৰৱৰ্তী,  ঝাৰখণ্ড মুক্তি মৰ্চাৰ বৈদ্যনাথ ৰাম আৰু নিৰ্দলীয় সদস্য পৰিমল নাথৱানিয়ে নতুন সাংসদ হিচাপে শপত গ্ৰহণ কৰে।

০০০০০০

ভেনেজুৱেলাৰ য়াৰাকুই প্ৰদেশৰ য়ুমাৰে চহৰত অহা কেইবাটাও ভূমিকম্পত এতিয়ালৈ ১৬৮ জনৰ লোকৰ মৃত্যু হোৱাৰ লগতে ৯০০ কৈও অধিক লোক আহত হৈছে। দেশখনৰ ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগজে কৈছে যে, এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে।

আমেৰিকাৰ ভূতাত্বিক জৰীপ সংস্থাই প্ৰকাশ কৰা অনুসৰি আজি পুৱা ইয়ুমান চহৰত ৭ দশমিক ৫ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণিৰ মাত্ৰ ৩৯ ছেকেণ্ড পূৰ্বে ভেনেজুৱেলাৰ ছান ফেলিপেইত ৭ দশমিক ২ প্ৰাবল্যৰ আন এটা বৃহৎ ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পত ভালেসংখ্যক অট্টালিকা ধ্বংসস্তূপত পৰিণত হয়। অগা-পিছাকৈ অহা এই বিধ্বংসী ভূমিকম্পৰ পাছতে ৰাষ্ট্ৰপতি  ৰ'ড্ৰিগজে দেশখনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বিদ্যালয়ৰ পাঠদানৰ লগতে অত্যাৱশকীয় সেৱাৰ বাহিৰে সকলো কাম-কাজ বাতিল কৰা বুলি ঘোষণা কৰে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহত কৰ্তৃপক্ষই উদ্ধাৰ অব্যাহত ৰাখিছে।

বিভিন্ন দেশৰ নেতাসকলে ভেনিজুৱেলাৰ এই বিপদৰ সময়ত সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে সহায়ৰ হাত আগবঢ়াইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ভূমিকম্পত হোৱা ক্ষয়-ক্ষতিক লৈ দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভেনেজুৱেলাৰ চৰকাৰ তথা জনসাধাৰণলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে দেশখনৰ এই দুৰ্যোগৰ সময়ত যাৱতীয় সকলো সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কৈছে যে, তেওঁৰ চৰকাৰে ভেনিজুৱেলাৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্ট সংস্থাক ইতিমধ্যে নিৰ্দেশ দিছে। স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰ চেনসেজ, মেক্সিকোৰ ৰাষ্ট্ৰপতি ক্লডিয়া শ্বেইনবমৰ লগতে কেইবাখনো দেশৰ মুৰব্বীয়ে ভেনিজুৱেলাৰ এই সংকটৰ সময়ত সহায়ৰ হাত আগবঢ়াই।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা ২৭ জুনত চিচেলচলৈ যাব। তেওঁ দেশখনৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তী উদযাপন সমাৰোহত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ২০১৫ চনত প্ৰধানমন্ত্ৰী মোডীয়ে শেষৱবাৰৰ বাবে চিচেলচলৈ গৈছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয় যে, ভাৰতীয় নৌসেনাৰ দুখন জাহাজ,আৰু ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ এটা দলে এই অনুষ্ঠানত অংশ লব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰী মোডীয়ে চিচেলচৰ ৰাষ্ট্ৰপতি ড০ পাত্ৰিক হাৰ্মণিৰ সৈতে বৈঠকত মিলিত হব। এই বৈঠকত দুয়োখন দেশৰ দ্বিপাক্ষিক সহযোগিতা,আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনা কৰা হব। প্ৰধানমন্ত্ৰী মোডীয়ে চিচেলচৰ  সংসদত ভাষণ দিয়াৰ লগতে দেশখনত থকা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত আৰু চিচেলচৰ মাজৰ শক্তিশালী আৰু স্থায়ী সম্পৰ্ক অধিক সুদৃঢ় কৰিব। ২৯ জুনত প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণ সামৰিব।

০০০০০

উত্তৰাখণ্ডৰ লিপুলেখ পাছেৰে প্ৰায় ছবছৰৰ বিৰতিৰ মূৰত ভাৰত আৰু চীনৰ মাজত কাইলৈ সীমান্ত বাণিজ্য পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। পিথুৰগড় জিলাৰ ধাৰছুলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি ভাৰতীয় ব্যৱসায়ীৰ প্ৰথমটো দল কাইলৈ তিব্বতৰ টাকলাকোট বজাৰ অভিমুখে ৰাওনা হ'ব। ধাৰছুলা মহকুমা দণ্ডাধীশ আৰু বাণিজ্য বিষয়া আশীষ যোশীয়ে জনোৱা মতে প্ৰথমটো দলত ১৭জন ব্যৱসায়ী আৰু ৯জন সহযোগীকে ধৰি মুঠ ২৬খন বাণিজ্য অনুমতিপত্ৰ প্ৰদান কৰা হৈছে। বাণিজ্য নিয়াৰিকৈ পৰিচালনা কৰাটো নিশ্চিত কৰাৰ বাবে গুঞ্জিত এটা সীমাশুল্ক কাৰ্যালয় স্থাপন কৰা হৈছে। বাণিজ্য অনুমতিপত্ৰৰ বাবে শতাধিক ব্যৱসায়ীয়ে আবেদন জনাইছিল বুলি উল্লেখ কৰি শ্ৰীযোশীয়ে দ্বিতীয় পৰ্যায়ত ২৫জন ব্যৱসায়ীক অনুমতিপত্ৰ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ২০২০ চনত কোভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু চীনৰ মাজৰ সীমান্ত বাণিজ্য বাতিল কৰা হৈছিল। দেশ দুখনৰ মাজৰ এই বাণিজ্য ব্যৱস্থাৰ পুনৰ মুকলিক লৈ সীমান্ত অঞ্চলৰ ব্যৱসায়ী তথা স্থানীয় লোকসকলে আনন্দ প্ৰকাশ কৰিছে।

০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা ফিলাডেলফিয়াত হ'বলগীয়া গ্ৰুপ-ইৰ এখন খেলত কুৰাচাও, আইভৰী কষ্টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি মাজনিশা ডেৰ বজাত অনুষ্ঠিত হ'ব। ইপিনে, ইষ্ট ৰাডাৰফৰ্ডত হ'বলগীয়া একেটা গ্ৰুপৰে আন এখন খেলত জাৰ্মানী আৰু ইকুৱেডৰ মুখামুখি হ'ব। কাইলৈ পুৱা চাৰে চাৰি বজাত গ্ৰুপ এফৰ এখন খেলত জাপান ছুইডেনৰ বিৰুদ্ধে

অৱতীৰ্ণ হ'ব। আনহাতে, কান্সাছ চিটীত হ'বলগীয়া আন এখন খেলত টিউনিছিয়া আৰু নেডাৰলেণ্ডছ মুখামুখি হ'ব।

প্ৰতিযোগিতাত আজি পুৱা দক্ষিণ আফ্ৰিকাই গ্ৰুপ এৰ এখন খেলত দক্ষিণ কোৰিয়াক ১-০ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ নকআউত পৰ্যায়ত প্ৰৱেশ কৰে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ